# অধ্যায় ১ ঃ গৱেষণাৰ অর্থ

**অধ্যায় গাঁথনি**


১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ গৱেষণাৰ অর্থ

১.৩.১ সমাজবিজ্ঞানৰ গৱেষণা

১.৪ গৱেষণাৰ উদ্দেশ্য

১.৫ গৱেষণাৰ উপাদান

১.৬ তত্ত্ব

১.৭ গৱেষণা আৰু তত্ত্ব

১.৭.১ তত্ত্বই কি কৰে

১.৭.২ এটা ভাল তত্ত্বৰ পৰিমাপ

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৯ অধিক জানিবলৈ

১.১০ অগ্রগতিৰ খতিয়ান

১.১১ আৰ্হি প্রশ্ন


## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সমাজ বিজ্ঞানত গৱেষণা বুলিলে কি বুজিব পাৰিব
- গৱেষণাৰ উদ্দেশ্য বিশ্লেষণ কৰিব পাৰিব
- গৱেষণা নক্সা এখনৰ প্রয়োজনীয় উপাদানবোৰ কি কি সেয়া চিনাক্ত কৰিব পাৰিব
- তত্ত্ব কি সেয়া জানিব পাৰিব
- গৱেষণা আৰু তত্ত্বৰ মাজত থকা আন্তঃনির্ভৰশীলতাৰ বিষয়ে বুজি পাব
- ভাল তত্ত্ব এটাৰ পৰিমাপ বোৰ চিনাক্ত কৰিব পাৰিব।

## ১.২ পৰিচয়

আমি জীৱনৰ সৈতে জড়িত সকলো বস্তুৰ ক্ষেত্রতে ‘অনুসন্ধান’, (enquiry) অথবা ‘যুক্তি’ (reason) প্রয়োগ কৰিব পাৰো। কিন্তু ‘গৱেষণা’ (research) সদায় দৈনন্দিন অনুসন্ধানৰ উর্দ্ধত। পাৰিভাষিক অর্থত ‘গৱেষণা’ বুজোৱা ইংৰাজী শব্দ 'Research' হ’ল দুটা শব্দৰ সমষ্টি- 'Re' আৰু 'Search' 'Re' মানে হ’ল ‘পুনৰ দর্শন’ (revisiting) অথবা ‘পুনৰ পৰীক্ষণ’ ( re-

examination) দৈনন্দিন অনুসন্ধান আৰু গৱেষণা প্ৰণালী বিদ্যা আৰু গৱেষণা চলোৱাৰ নীতিৰ মাজত পৰিস্ফুট হয়। আমাৰ দৈনন্দিন জীৱনৰ সৈতে জড়িত বেছিভাগ অনুসন্ধানেই 'কি' প্ৰশ্নটোৰ ওপৰত আধাৰিত। সমাজ বিজ্ঞানভিত্তিক গৱেষণাবোৰৰ মুখ্য আগ্ৰহ 'কিয়' (why) প্ৰশ্নটোৰ উত্তৰ নিৰূপণ কৰাৰ সৈতে জড়িত। গৱেষণাই বৰ্তি থকা জ্ঞান সমলবোৰৰ ওপৰত ভিত্তি কৰি 'জ্ঞান ব্যৱধান' (knowledge gap) আঁতৰোৱাৰ প্ৰয়াস কৰে। অর্থাৎ, ই নতুন 'জ্ঞানৰ দাবী' ( knowledge claim) আগবঢ়োৱাৰ প্ৰয়াস কৰে। অৱশ্যে এই আটাইবোৰ দাবী প্ৰথমে সত্যাপন কৰি লোৱাটো বাধ্যতামূলক। এই দাবীবোৰৰ কোনোটোৱেই সকলো সময়তে শুদ্ধ হৈ নাথাকে। এই ক্ষেত্ৰত গৱেষণাৰ প্ৰণালীবিদ্যাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰণালী বিদ্যা (methodology)ত গৱেষকৰ সহায় হোৱাকৈ গৱেষণা এটা আগবঢ়াই নিয়াৰ স্বীকৃত নিয়ম (norms) আৰু নীতিবোৰ সন্নিৱিষ্ট কৰা থাকে। প্ৰণালীবিদ্যাত এই স্বীকৃত নিয়ম আৰু নীতিবোৰ বিশদভাৱে বৰ্ণনা কৰা হয়। অৱশ্যে, এইটো স্পষ্টভাৱে জানি থোৱা ভাল যে গৱেষণা প্ৰণালীবিদ্যাত কোনো ধৰা-বন্ধা নীতি-নিয়ম নাথাকে। ই ক্ৰমবিৱৰ্তনশীল। অর্থাৎ, গৱেষণা প্ৰণালীবিদ্যাত সন্নিৱিষ্ট নীতি-নিয়মবোৰ স্থিৰ নহয়, পৰিৱৰ্তনশীল।

ওপৰৰ আলোচনাত কোৱা হৈছে যে ইতিমধ্যে বিচাৰি উলিওৱা 'কিবা' এটা সম্পৰ্কে পুনৰ অন্বেষণ কৰাই হ'ল গৱেষণা। গৱেষণা এটাৰ জৰিয়তে উত্তৰ দিয়াৰ প্ৰয়াস চলা প্ৰশ্নবোৰেই গৱেষণা প্ৰক্ৰিয়াটো চলি থকা কালত গৱেষণা কাৰ্যটোৰ কেন্দ্ৰবিন্দুত পৰিণত হয়। অর্থাৎ, গৱেষণা হ'ল প্ৰচলিত জ্ঞানৰ পৰিসৰ অতিক্ৰম কৰি জ্ঞানৰ কেন্দ্ৰলৈ কৰা গতি। ইয়াত, 'কেন্দ্ৰ' (core) বুলি কিছুমান প্ৰধান অথবা কেন্দ্ৰীয় ধাৰণাৰ কথা বুজোৱা হয়। গৱেষণা এটা চলোৱাৰ আঁৰত থকা প্ৰধান চালিকা শক্তিটো হ'ল 'ইতিমধ্যে কৰা কামবোৰ পৰ্যাপ্ত নহয়' বুলি গঢ় লোৱা ধাৰণা। অর্থাৎ, গৱেষণাৰ জৰিয়তে কোনো কথা শুদ্ধ (right) অথবা উন্নততৰ (better) কৰাৰ প্ৰয়াস চলোৱা হয়।

## ১.৩ গৱেষণাৰ অর্থ

গৱেষণাৰ সংজ্ঞা তলত দিয়া ধৰণে দাঙি ধৰিব পাৰিঃ

- কোনো কথা / বিষয় সম্পৰ্কে নতুন জ্ঞান বিচাৰি উলিওৱা আৰু অন্যক অৱগত কৰিবলৈ যত্নসহকাৰে সম্পন্ন কৰা অধ্যয়নেই হ'ল গৱেষণা।
- মেৰিয়াম ৱেবষ্টাৰৰ অভিধান মতে গৱেষণা হ'ল-
  - ➢ এক সাৱধানতা সহকাৰে কৰা অথবা পৰিশ্ৰমীভাৱে কৰা অনুসন্ধান।
  - ➢ অধ্যয়নপুষ্ট অনুসন্ধান অথবা পৰীক্ষণ; বিশেষকৈ 'আৱিষ্কাৰ' আৰু সত্যৰ ব্যাখ্যা আগবঢ়োৱাৰ লক্ষ্যেৰে কৰা অনুসন্ধান; নতুন সত্যৰ পোহৰত স্বীকৃত তত্ত্ব অথবা আইনবোৰৰ 'পুনৰীক্ষণ'; অথবা তেনে নতুন অথবা পুনৰীক্ষণ কৰা তত্ত্ববোৰৰ 'ব্যৱহাৰিক প্ৰয়োগ'।
  - ➢ কোনো এক নিৰ্দিষ্ট বিষয় সম্পৰ্কে তথ্য সংগ্ৰহ কৰা কাৰ্য।

## ১.৩.১ সমাজ বিজ্ঞানত গৱেষণা

গৱেষণাৰ প্ৰণালী বিদ্যাই গৱেষণাৰ শাখা নির্ধাৰণ কৰে। যদি গৱেষণা এটা প্ৰণালীৱদ্ধভাৱে বিশদ নীতি আৰু স্বীকৃত নিয়ম অনুসৰি সম্পন্ন কৰা হয় তেন্তে ইয়াৰ বিষয়সূচীৰ সত্যাপন কৰিব পৰা যায়। এনে গৱেষণাক বিজ্ঞানসন্মত গৱেষণা (Scientific research) বোলে। সহজ অর্থত বিজ্ঞানসন্মত প্ৰণালী বিদ্যাই এসময়ত গৱেষণাৰ বাবে লোৱা শাখাটো বিজ্ঞানসন্মত হয়নে নহয় সেয়া নির্ধাৰণ কৰি উলিয়াই। যদিও বিজ্ঞানসন্মত তথাপিও প্ৰাকৃতিক বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ গৱেষণাৰ মাজত কিছুমান পার্থক্য আছে। তলত পার্থক্যবোৰ উল্লেখ কৰা হ'ল-

- সমাজ বিজ্ঞানত অনুসৰণ কৰা প্ৰণালী বিদ্যা প্ৰধানত বিজ্ঞানসন্মত। যেনে- তত্ত্ব, ধাৰণা ইত্যাদি। সামাজিক প্ৰক্ৰিয়া আৰু সমস্যাবোৰ সম্পর্কে আমাৰ বোধশক্তি বঢ়োৱাৰ উদ্দেশ্যেৰে এনে গৱেষণাত বিজ্ঞানসন্মত প্ৰণালী বিদ্যা ব্যৱহাৰ কৰা হয়।
- প্ৰাকৃতিক বিজ্ঞানৰ গৱেষণাবোৰ সাধাৰণতে গৱেষণাগাৰৰ ভিতৰতে সম্পন্ন কৰা হয়। সমাজ বিজ্ঞানত গৱেষণাবোৰ সমাজক লৈ চলোৱা হয়। ইয়াত, গৱেষণাক্ষেত্ৰ হ'ল প্ৰকৃত সামাজিক পৰিৱেশ।
- সমাজ বিজ্ঞানক 'নৰম বিজ্ঞান (soft science) বুলি বিবেচনা কৰা হয়। সমাজ বিজ্ঞান গৱেষণাৰ ফলাফলবোৰে প্ৰাকৃতিক বিজ্ঞানে কৰাৰ দৰে অধিক সুনিশ্চয়তাৰ দাবী কৰিব নোৱাৰে।

ওপৰৰ আলোচনাৰ পৰা সমাজ বিজ্ঞানত গৱেষণা আৰু প্ৰাকৃতিক গৱেষণাৰ পার্থক্য অনুধাৱান কৰিব পাৰি। কিন্তু সমাজতত্ত্বৰ বাকধাৰাত সামাজিক গৱেষণা ( Social Research) ৰ সম্পর্কে আলোচনা কৰাৰ প্ৰয়োজন আছে। সেয়ে, সামাজিক গৱেষণানো কি, ছাত্ৰ-ছাত্ৰী সকলে বা শিকাৰু সকলে জনা উচিত। পি.ভি. য়ুঙ (১৯৮৮)ৰ মতে, "সামাজিক গৱেষণা হ'ল এক বিজ্ঞান সন্মত পদ্ধতি, যাৰ দ্বাৰা যুক্তিমূলক আৰু প্ৰণালীৱদ্ধ কৌশলৰে (ক) নতুন বাস্তৱ তথ্য উদঘাটন কৰা হয় অথবা পুৰণা সত্যক পুণৰীক্ষণ আৰু পৰীক্ষা কৰা হয়। (খ) প্ৰকৃত তত্ত্বৰ আধাৰত সামাজিক ঘটনা সমূহৰ, অনুক্ৰম আন্তঃ সম্পর্ক তথা কাৰণ আৰু প্ৰভাৱ বিশ্লেষণ কৰা হয় (গ) নতুন বৈজ্ঞানিক সজুঁলি, অৱধাৰণা আৰু তত্ত্বৰ বিকাশ ঘটোৱা হয়, যি বিলাকৰ জৰিয়তে কার্য্যকৰী ভাৱে আৰু নির্ভৰ যোগ্য ভাৱে মানুহৰ আচৰণক অধ্যয়ণ কৰাত সহায় কৰে।" একেদৰে গোড্ আৰু হাটৰ মতে, যিকোনো ব্যৱহাৰিক, তাত্ত্বিক আৰু পদ্ধতিগত যথয্যা সমাধান কৰাটোৱেই সামাজিক গৱেষণাৰ উদ্দেশ্য। যি কোনো ঘটনাৰ সত্য আৱিস্কাৰ, পুণৰীক্ষণ আৰু বিশ্লেষণ কৰা আৰু সেইবোৰৰ মাজত থকা আন্তঃসম্পর্ক নির্ণয় কৰিবৰ বাবেই সামাজিক গৱেষণাৰ প্ৰয়োজন হয়। মুঠতে এটা কথা স্পষ্ট সামাজিক গৱেষণাৰ জৰিয়তে মানুহৰ আচৰণ আৰু সামাজিক জীৱনৰ প্ৰকৃতি উদঘাটন আৰু অনুধাৱন কৰা হয়।

সামাজিক গৱেষণাৰ জৰিয়তে যিকোনো সামাজিক ঘটনাক বৈজ্ঞানিকভাৱে অনুসন্ধান কৰি মানুহৰ ব্যৱহাৰিক আৰু পৰীক্ষাসিদ্ধ জ্ঞান লাভ কৰিব পৰা যায়। সেই বাবেই সমাজতত্ত্বত সামাজিক গৱেষণা সম্পৰ্কে গুৰুত্ব সহকাৰে আলোচনা কৰা হয়।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ১ ঃ কোনো এটা অধ্যয়নৰ বিষয় বিজ্ঞানসন্মত হয়নে নহয় সেয়া কিহে নিৰ্ধাৰণ কৰে?

.....

.....

.....

প্ৰশ্ন নং ২ ঃ 'নৰম বিজ্ঞান' বুজাবলৈ ব্যৱহাৰ কৰা আন অভিধা (term) টো কি?

.....

.....

.....



**এটা গৱেষণা প্ৰস্তাৱৰ উদাহৰণঃ**

**১। গৱেষণা প্ৰশ্ন ঃ** উত্তয়নৰ পৰ্যায়ে ভাৰতৰ উত্তৰ -পূৱ অঞ্চলৰ ৰাজনৈতিক সুস্থিৰতাক প্ৰভাৱিত কৰে নেকী?

**২। প্ৰস্তাৱ ঃ** উন্নয়নৰ পৰ্যায়ে ভাৰতৰ উত্তৰ-পৱ অঞ্চলৰ ৰাজনৈতিক সুস্থিৰতাক প্ৰভাৱিত কৰে।

**চলক ঃ** নিৰ্ভৰ শীল চলকঃ ভাৰতৰ উত্তৰ-পূৱ অঞ্চলৰ ৰাজনৈতিক অস্থিৰতা।

স্বতন্ত্ৰ চলক ঃ উন্নয়নৰ পৰ্যায়

**অপ্ৰমাণিত যুক্তিসংগত ধাৰণা ঃ**

১। উত্তৰ-পূৱৰ কেইখনমান ৰাজ্যত পৃথকতাৰ দাবী উত্থাপিত হোৱাৰ কাৰণ হ'ল উন্নয়নৰ অভাৱ যিটোৰ আভ্যন্তৰীণ ঔপনিৱেশ বাদৰ ৰূপত। শোষণৰ যুক্তিৰ সৈতে আন্তঃসংযোগ আছে।

২। অসমান উন্নয়নে অঞ্চলটো অধিক বিভাজিত কৰি সৰু সৰু ৰাজ্যৰ সৃষ্টি কৰিছে যাৰ বাবে বেছ কিছুদিন ধৰি ৰাজনৈতিক অস্থিৰতাৰ উত্থান ঘটিছে।

## ১.৪ গৱেষণাৰ উদ্দেশ্য

গৱেষণাৰ প্ৰধান উদ্দেশ্যটো হ'ল প্ৰচলিত জ্ঞানক অধিক সমৃদ্ধ কৰি তোলা। আৰু অধিক গৱেষণা অবিহনে যিকোনো ক্ষেত্ৰতে লব্ধ জ্ঞানবোৰ স্থবিৰ প্ৰকৃতিৰ হৈ পৰিব। ইয়াৰ উপৰি গৱেষকসকলৰ আন এক উদ্দেশ্য হ'ল বাস্তৱ পটভূমিত গৱেষণাৰ প্ৰয়োগসাধ্যতা নিৰ্ণয় কৰা। ধৰা হ'ল, কোনো এগৰাগী গৱেষকে কোনো এডোখৰ অঞ্চলৰ সাম্প্ৰদায়িক হিংসাৰ কাৰণবোৰ অধ্যয়ন কৰিছে। তেওঁ গৱেষণাৰ জৰিয়তে এনে হিংসা উৎপত্তি হোৱাৰ আঁৰৰ কাৰণবোৰ চিনাক্ত কৰাত নিজৰ অৱদান আগবঢ়াব পাৰে। ইয়াৰ ফলত, সেই কাৰণবোৰ নিয়ন্ত্ৰণ অথবা প্ৰতিৰোধ কৰি ভৱিষ্যতৰ হিংসাত্মক কাৰ্যকলাপক বাধা দিবলৈ নানা ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব। গৱেষণাৰ প্ৰয়োগসাধ্যতাই বিভিন্ন সমাজ-ৰাজনৈতিক পৰিঘটনা আৰু সমাজত চলি থকা বিভিন্ন ক্ষমতা সম্পৰ্কৰ বিষয়ে আঙুলিয়াই দেখুৱাব পাৰে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** খালি ঠাই পূৰণ কৰকঃ

(ক) আৰু অধিক..... অবিহনে যিকোনো ক্ষেত্ৰতে লব্ধ জ্ঞানবোৰ স্থবিৰ প্ৰকৃতিৰ হৈ পাৰিব।

.....

.....

.....

(খ) গৱেষকসকলৰ উদ্দেশ্য হ'ল বাস্তৱ পটভূমিত গৱেষণাৰ .....নির্ণয় কৰা।

.....

.....

.....

## ১.৫ গৱেষণাৰ উপাদান

সমাজ বিজ্ঞানৰ গৱেষণা প্রক্রিয়া এটাত কিছুমান প্রয়োজনীয় উপাদান থাকে। এই উপাদানবোৰে একেলগে গৱেষণা এটা অধিক প্রণালীৱদ্ধ আৰু বিজ্ঞানসন্মত কৰি তোলে। উপাদানবোৰ হ'ল ঃ

- গৱেষণা প্রশ্ন (Research Question)
- গৱেষণা প্রস্তাৱ (Research Proposal)
- গৱেষণা অভিকল্প ধাৰণা (Hypothesis)
- প্রণালীবিদ্যা (Methodology)
- সাহিত্য পুনৰীক্ষণ (Literature Review)
- তথ্য বিশ্লেষণ (Data Analysis)
- সামৰণি (Conclusion)

● **গৱেষণা প্রশ্ন ঃ** এগৰাকী গৱেষকে কিছুমান কেন্দ্রীয় গৱেষণা প্রশ্ন সৃষ্টি কৰি নিজ গৱেষণা আগবঢ়াই নিব লাগে। গৱেষকে গ্রহণ কৰা বৃহত্তৰ গৱেষণা ক্ষেত্রখনৰ পৰাই প্রধানতঃ এই প্রশ্নৰ সৃষ্টি হয়। গৱেষণা প্রশ্ন সৃষ্টি কৰা সময়ত যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগে। কাৰণ, এই প্রশ্নবোৰে পৰৱর্তী কার্যবোৰ নির্ধাৰণ কৰাত সহায় কৰে।

● **গৱেষণা প্রস্তাৱ ঃ** গৱেষণা প্রশ্নৰ ওপৰত নির্ভৰ কৰি গৱেষণা প্রস্তাৱ আগবঢ়োৱা হয়। গৱেষণা প্রস্তাৱ এটা প্রস্তুত কৰাৰ সময়ত বিষয়টোক লৈ থকা সাহিত্যৰ ওপৰত গুৰুত্ব দিয়া হয়। ই পটভূমি বিষয়ক জ্ঞান আহৰণত সহায় কৰে। ফলত গৱেষণা প্রস্তাৱ এটাই কাকো বিপথে পৰিচালিত নকৰে। এনে প্রস্তাৱ ইতিবাচক অথবা নেতিবাচক হ'ব পাৰে।


● **অভিকল্প ধাৰণা ঃ** অপ্রমাণিত যুক্তিসংগত ধাৰণা হ'ল গৱেষকে বাহিৰ কৰা প্রাথমিক আৰু অস্থায়ী সামৰণি। যিকোনো গৱেষণাতে এটা অথবা একাধিক এনে ধাৰণা থাকে।

● **প্রণালীবিদ্যাঃ** সমাজ বিজ্ঞানত গুণগত অথবা পৰিমাণগত ধৰণৰ গৱেষণা চলিব পাৰে। অৱশ্যে আজিকালি গুণগত আৰু পৰিমাণগত এই দুয়োবিধ গৱেষণাৰে মিশ্রিত ৰূপটোহে বহুলবাৰে ব্যৱহৃত। ইয়াক মিশ্রিত পদ্ধতি (Mixed method ) বোলা হয়।

● **সাহিত্য পুনৰীক্ষণঃ** গুণগত গৱেষণাত সাহিত্য পুনৰীক্ষণে এক গুৰুত্বপূর্ণ ভুমিকা পালন কৰে। ই গৱেষকক গৱেষণা ক্ষেত্রখনৰ সৈতে পৰিচিত হোৱাত সহায় কৰে। এই পৰিচয়ে গৱেষকক 'জ্ঞান দাবী' (Knowledge claims) বোৰ পৰীক্ষা তথা অধিক সমৃদ্ধ কৰাত সহায় কৰে।

● **ডেটা বিশ্লেষণঃ** পৰিমাণগত আৰু মিশ্রিত গৱেষণাত ডেটা বিশ্লেষণে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বর্তমান সময়ত SPSS (Statistical Package for the Social Sciences) ৰ দৰে বিভিন্ন ছফ্‌ট্‌ৱেৰ বিকাশে ডেটা বিশ্লেষণৰ কামটো সহজ কৰি তুলিছে।

● **সামৰণিঃ** গৱেষকৰ অধ্যয়ন আৰু ডেটা বিশ্লেষণৰ আধাৰত এটা সামৰণিত উপনীত হোৱা যায়। এই সামৰণিটো আগলৈ আন পৰীক্ষা-নিৰীক্ষাৰ বিষয় হ'ব পাৰে।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৪ ঃ** এটা গৱেষণা প্রক্রিয়াৰ প্রয়োজনীয় উপাদানবোৰ কি কি?

.....

.....

.....

**প্রশ্ন নং ৫ ঃ** খালি ঠাই পূৰণ কৰকঃ

(ক).....হ'ল প্রাথমিক অস্থায়ী সামৰণি।

(খ).....হ'ল গুণগত আৰু পৰিমাণগত পদ্ধতি দুটাৰ মিশ্রিত ৰূপ।

(গ) সমাজ বিজ্ঞানত গৱেষণা..... অথবা..... ধৰণৰ হ'ব পাৰে।

**প্রশ্ন নং ৬ ঃ** SPSS ৰ সম্পূর্ণ ৰূপটো কি?

.....

.....

.....

## ১.৬ তত্ত্ব

ওপৰত উল্লেখ কৰা গৱেষণা প্রক্রিয়াবোৰৰ পৰা এসময়ত তত্ত্বৰ উৎপত্তি হয়। তত্ত্ব গঠন প্রক্রিয়াটোৰ বিষয়ে বহলাই আলোচনা কৰাৰ আগতে তত্ত্ব সম্পর্কে কোনো সর্বজনগ্রাহ্য সংজ্ঞা নাই। আমাৰ বর্তমান উদ্দেশ্যত ব্যৱহাৰ কৰিব পৰাকৈ আমি তত্ত্ব মানে যিকোনো সমাজ-ৰাজনৈতিক পৰিঘটনা অথবা ঘটনাৰ প্রণালীৱদ্ধ ব্যাখ্যা বুলি বুজি লওঁ আহক। তত্ত্বক প্রণালীৱদ্ধ বোলাৰ কাৰণ হ'ল ইয়াক সত্যাপন কৰিব পাৰিব লাগিব। যাতে, পৰৱর্তী সময়ত এই তত্ত্বটোক লৈ অধিক অধ্যয়ন কৰিব অথবা প্রয়োজন সাপেক্ষে ইয়াৰ সংশোধন ঘটাব পৰা যায়। তত্ত্বৰ বিৱর্তন সম্পর্কে 'প্রমেয়- বিৰোধাভাস তাত্ত্বিক দ্বন্দ' ( Thesis- Antithesis- Synthesis) বোলা মার্ক্সীয় ধাৰণাটোত এক ধ্রুপদী ব্যাখ্যা পোৱা যায়। এই ব্যাখ্যাৰ জনক হ'ল জ'র্জ. এফ. ডব্লিউ. হেগেল। এই ব্যাখ্যা অনুসৰি ধাৰণাবোৰৰ এক দ্বন্দমূলক (dialectical) অথবা মতবিৰোধমূলক (conflicting) প্রক্রিয়াৰে বিৱর্তন ঘটে। ধাৰণাবোৰ মাজৰ সবাতোকৈ প্রভাৱশালী অথবা আধিপত্য বিস্তাৰকাৰী ধাৰণাটো 'প্রমেয়' (Thesis) বোলা হয়। লাহে লাহে এই ধাৰণাটোৰ প্রতিদ্বন্দী

অথবা বিৰোধী ধাৰণাৰ বিকাশ ঘটে। এনে ধাৰণাবোৰক 'বিৰোধাভাস' (antithesis) বেলে। এই মতবিৰোধৰ ফলত এক নতুন ধাৰণাৰ বিকাশ ঘটে আৰু ইয়াক 'তাত্ত্বিক দ্বন্দ' (Synthesis) বোলা হয়। ট'মাছ এছ. কুন (Thomas S.Kuhn) ৰ লেখনীত আমি তত্ত্বৰ বিৱর্তন সম্পর্কে তেওঁৰ ধাৰণা কি সেয়া পঢ়িবলৈ পাওঁ। ১৯৬২ চনত প্রকাশিত গ্রন্থ ' The Structure of Scientific Revolution ' ত তেওঁ যুক্তি দর্শাইছিল যে বেছিভাগ সময়তে বৈজ্ঞানিক সম্প্রদায় এটাই প্রভাৱশালী আর্হি (dominant paradigm) ৰ অধীনত কাম কৰে। ইয়াক 'স্বাভাৱিক বিজ্ঞান' (normal science) বোলা হয়। স্বাভাৱিক বিজ্ঞানে ইয়াৰ প্রভাৱশালী আর্হিৰ পৰিসীমাৰ ভিতৰত কেৱল প্রহেলিকা সমাধানকাৰী কার্যকলাপহে চলাব পাৰে। এনেকৈয়ে এটা সময়ত গৱেষণা কৰি থকা বিষয়টোৰ নানা অনিয়ম ধৰা দিয়ে। কিন্তু এনে সংকটাৱস্থাত প্রভাৱশালী আর্হিটোৱে এই অনিয়মবোৰ আঁতৰোৱাৰ সমিধান দিব নোৱাৰে। তেতিয়াই 'আর্হি বিচ্যুতি' (paradigm shift) ঘটে আৰু নতুন ধাৰণাই গা কৰি উঠে। যেতিয়া দুটা আর্হি সম্পূর্ণৰূপে 'তুলনা অসাধ্য' (incommensurable) হৈ পৰে তেতিয়াই বিজ্ঞানসন্মত বিপ্লৱ সংঘটিত হয়। কার্ল প'পাৰে এই ধাৰণাক প্রত্যাহ্বান জনাই কৈছিল যে ধাৰণা জগতত কোনো 'সমালোচনাৰ উর্দ্ধ' (sacred) ৰ ধাৰণা অথবা 'প্রভাৱশালী আর্হি ' নাই।

সামাজিক-ৰাজনৈতিক ঘটনাবোৰৰ প্রণালীৱদ্ধ ব্যাখ্যা আগবঢ়োৱাৰ উপৰি তত্ত্বই প্রকৃততে সামাজিক পৰিঘটনাবোৰ জ্ঞানতাত্ত্বিক আলোচনা ( epistemic discourse) ৰ ভেটি নির্মাণ কৰি দিয়ে। তত্ত্বৰ সহায়ত সামাজিক পৰিঘটনাৰ বিষয়ে সাধাৰণীকৃত ধাৰণা গঢ়ি তোলা হয়। ই কোনো এটা ঘটনা কিয় আৰু কেনেকৈ ঘটিল তাৰ ব্যাখ্যা আগবঢ়ায়। ১৯৯১ চনত প্রকাশিত ল'ৰেন্স আৰ. ফ্রে'ই, কার্ল এইছ ব'টান, প'ল জি. ফ্রীড্‌মেন আৰু গেৰী এল. ক্রেপচ্‌ৰ গ্রন্থ 'Investigting Communication : An Introduction to Research Methods' ত তত্ত্বৰ সংজ্ঞা এনেদৰে দাঙি ধৰা হৈছে, "কোনো পৰিঘটনা এটা কেনেকৈ আৰু কিয় সংঘটিত হয় তাৰ সাধাৰণীকৃত ব্যাখ্যাই হ'ল তত্ত্ব।

## ১.৭ গৱেষণা আৰু তত্ত্ব

গৱেষণা আৰু তত্ত্বৰ ভিতৰত কোনটো প্রথম তাকে লৈ বিতর্কৰ অন্ত নাই। এভাগৰ মতে তত্ত্ব হ'ল গৱেষণাৰ আধাৰ। তত্ত্বই গৱেষণা এটা আগবঢ়াই নিয়াৰ বাবে প্রয়োজনীয় সমলৰ যোগান ধৰে। আনহাতে, আইন একাংশই যুক্তি দর্শায় যে গৱেষণাইহে তত্ত্ব গঠনত সহায় কৰে। এই বিতর্কৰ আজিলৈকে অৱসান ঘটা নাই। অৱশ্যে এই কথাত কাৰো দ্বিমত নাই যে গৱেষণা আৰু তত্ত্ব দুয়োটা আন্ত: নির্ভৰশীল। এই আন্ত: নির্ভৰশীলতা বুজিবলৈ প্রথমে আমি গৱেষণাত তত্ত্ব কিয় উপযোগী সেই কথা জানি থওঁ আহক।

## ১.৭.১ তত্ত্বই কি কৰে

- গৱেষকক বিভিন্ন কথা শিতানভুক্ত কৰাত সহায় কৰে, যেনে-উপাদান, প্ৰক্ৰিয়া আৰু অনানুষ্ঠানিক সম্পৰ্ক ।
- ইতিমধ্যে নিৰীক্ষণ কৰা নিয়মনিষ্ঠ বৈশিষ্ট্যবোৰ কেনেদৰে আৰু কিয় পুনৰ সংঘটিত হৈ থাকে গৱেষকক সেয়া বুজাত সহায় কৰে।
- নিৰীক্ষণ নকৰা পৰিঘটনাবোৰ সম্পৰ্কে ভৱিষ্যতবাণী কৰাত গৱেষকক সহায় কৰে।
- গৱেষকক উপযোগী আৰু সঠিক দিশেৰে আগবাঢ়ি যোৱাৰ দিক্-নির্দেশনা দিয়ে।
- পৰৱর্তী অধ্যয়ন/ গৱেষণাৰ আধাৰ হিচাপে কাম কৰে।

## ১.৭.২ এটা ভাল তত্ত্বৰ পৰিমাপ

আগতেই উল্লেখ কৰি অহা গৈছে যে কেৱল গৱেষণাৰ জৰিয়তেহে তত্ত্ব এটা অধিক বিতংভাৱে ব্যাখ্যা আৰু পৰীক্ষা কৰিব পাৰি। তত্ত্ব এটা ভালনে বেয়া সেয়া মূল্যায়ন কৰিবলৈ কিছুমান পৰিমাপ আছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল-

- পৰিমিততা (Parsimony) ঃ তত্ত্বটোৱে আপেক্ষিকভাৱে কমসংখ্যক সংজ্ঞা, অভিধা (terms) আৰু বিবৃতি (statement) ৰে কোনো কথাৰ ব্যাখ্যা আগবঢ়াব পাৰে।
- এটা নির্দিষ্ট তত্ত্বৰ দ্বাৰা কোনো পৰিঘটনা ব্যাখ্যা কৰাৰ পৰিসৰ (breadth) অথবা প্ৰসাৰ (range)।
- নতুন পৰিঘটনা সম্পৰ্কে নির্ভুল ভৱিষ্যৎবাণী।
- মিথ্যা প্ৰতিপন্ন হোৱাৰ সামর্থ

তত্ত্ববোৰৰ মূল্যায়ন কৰাৰ সময়ত এই কথাটো মনত ৰখা দৰকাৰ যে সকলোবোৰ তত্ত্বই কেৱল 'সত্যৰ সন্নিকট' (approximation) লৈ যোৱাৰ সুযোগহে আগবঢ়ায়। কোনো তত্ত্বই সত্যটো আগবঢ়াব নোৱাৰে। তত্ত্বৰ জৰিয়তে আমি সত্যৰ ওচৰহে চাপিব পাৰো। অর্থাৎ, তত্ত্ব এটাই কিছুমান সত্য সম্পৰ্কে দাবীহে কৰে, সম্পূর্ণ সত্যটো দাবী কৰিব নোৱাৰে। সেই দিশৰ পৰা তত্ত্ব বিকাশৰ প্ৰক্ৰিয়াটো হ'ল সত্যৰ কাষ চপাৰ এক প্ৰক্ৰিয়া, কিন্তু কোনো তত্ত্বই সম্পূর্ণ সত্য নহয়।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ৭ ঃ এটা ভাল তত্ত্বৰ পৰিমাপবোৰ কি কি?

.....

.....

.....

প্রশ্ন নং ৮ ঃ ট'মাছ কুনৰ মতে বৈপ্লৱিক বিজ্ঞানৰ কেনেদৰে উত্থান ঘটিছে?

.....

.....

.....

## ১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দৈনন্দিন অনুসন্ধান আৰু গৱেষণাৰ মাজৰ প্রভেদবোৰ গৱেষণাৰ সুনির্দিষ্ট উদ্দেশ্য, গৱেষণা প্রণালী বিদ্যা আৰু গৱেষণা চলোৱা নীতিবোৰৰ মাজতে পৰিস্ফুট হয়।
- সমাজ বিজ্ঞানভিত্তিক গৱেষণাবোৰৰ মুখ্য আগ্রহ 'কিয়' প্রশ্নটো উত্তৰ বাহিৰ কৰাৰ সৈতে জড়িত।
- প্রণালীবিদ্যাত গৱেষকৰ সহায় হোৱাকৈ গৱেষণা এটা আগবঢ়াই নিয়াৰ স্বীকৃত নিয়ম আৰু নীতিবোৰ সন্নিৱিষ্ট কৰা থাকে।
- গৱেষণা প্রণালীবিদ্যাতে কোনো ধৰা-বন্ধা নীতি-নিয়ম নাথাকে। ই ক্রমবিৱর্তনশীল।
- ইতিমধ্যে বিচাৰি উলিওৱা কিবা এটা সম্পর্কে নতুন জ্ঞান বিচাৰি উলিওৱা আৰু অইনৰ অৱগত কৰিবলৈ যত্নসহকাৰে সম্পন্ন কৰা অধ্যয়নেই হ'ল গৱেষণা।
- বিজ্ঞানসন্মত প্রণালীবিদ্যাই অধ্যয়নৰ শাখা এটা বিজ্ঞানসন্মত হয়নে নহয় সেয়া নির্ধাৰণ কৰে।
- সমাজ বিজ্ঞানে অনুসৰণ কৰা গৱেষণা প্রণালীবিদ্যাৰ লক্ষ্য হ'ল সামাজিক প্রক্রিয়া আৰু সমস্যাবোৰৰ বিষয়ে আমাৰ জ্ঞান বৃদ্ধি কৰা।
- সমাজ বিজ্ঞানক 'নৰম বিজ্ঞান' বুলি বিবেচনা কৰা হয়।
- গৱেষণাৰ প্রধান উদ্দেশ্য হ'ল প্রচলিত জ্ঞানক অধিক সমৃদ্ধ কৰা।
- গৱেষকসকলৰ আন এক উদ্দেশ্য হ'ল বাস্তৱ পটভূমিত গৱেষণাৰ প্রয়োগসাধ্যতা পৰীক্ষা কৰি চোৱা।
- এটা গৱেষণা প্রক্রিয়াৰ প্রয়োজনীয় উপাদানবোৰ হ'ল- গৱেষণা প্রশ্ন, গৱেষণা প্রস্তাৱ, অপ্রমাণিত যুক্তিসংগত ধাৰণা, গৱেষণা প্রণালী বিদ্যা, সাহিত্য সমীক্ষা, ডেটা বিশ্লেষণ আৰু সামৰণি।
- অপ্রমাণিত যুক্তিসংগত ধাৰণা হ'ল গৱেষকে ঠিক কৰি লোৱা প্রাথমিক অস্থায়ী সামৰণি।
- গুণগত আৰু পৰিমাণগত গৱেষণাৰ সংমিশ্রিত ৰূপ 'মিশ্রিত পদ্ধতি'ক আজিকালি গৱেষণাত বহুলভাৱে প্রয়োগ কৰা হয়।
- বর্তমান সময়ত SPSS (Statistical Package for the Social Sciences) ৰ দৰে বিভিন্ন ছ'ফ্টৱেৰৰ বিকাশ ঘটাৰ ফলত ডেটা বিশ্লেষণৰ কামটো সহজ হৈ পৰিছে।
- যিকোনো সমাজ-ৰাজনৈতিক পৰিঘটনা অথবা ঘটনাৰ প্রণালীৱদ্ধ ব্যাখ্যাকে তত্ত্ব বুলি কোৱা হয়।